Total No. of Printed Pages—3

**5 SEM TDC ASM M 2**

**2 0 1 5**

( November )

ASSAMESE

( Major )

Course : 502

( অসমীয়া নাটক )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু আৰু পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'নাট্যশাস্ত্ৰ'ৰ ৰচক কোন?

(খ) অংকীয়া নাট ৰচনাৰ পূৰ্বে অসমত প্ৰচলিত লোক-নাট্য-ধৰ্মী এটি অনুষ্ঠানৰ নাম লিখাঁ।

(গ) 'কপালীম' নাটকৰ কাহিনীৰ লগত সাদৃশ্য থকা পাশ্চাত্যৰ নাটকখনৰ নাম লিখাঁ।

(ঘ) 'অসমীয়া নাট্য-সাহিত্যৰ জিলিঙনি' গ্ৰন্থখনৰ লেখকজনৰ নাম লিখাঁ।

(ঙ) কোনজন নাট্যশিল্পীয়ে অসমত প্ৰথমে সহ-অভিনয়ৰ পাতনি মেলে?

(চ) প্ৰথম অসমীয়া পৌৰাণিক নাটকখনৰ নাম কি?

(ছ) 'এটা চোলাৰ কাহিনী' নাটকত তৰুণীগৰাকীয়ে চিলাবলৈ দিয়া চোলাটো কিহৰ আৱৰণৰ বাবে?

(জ) আলি হাইদৰৰ 'ককা আৰু নাতি ল'ৰা' কোন শ্ৰেণীৰ নাটক?

২। (ক) অসমীয়া নাট্যসাহিত্যত ঊনবিংশ শতিকাৰ নাটকৰ ভূমিকা সম্পৰ্কে এটি আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) আধুনিক অসমীয়া নাটকৰ সৃষ্টিত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে এটি টোকা যুগুত কৰাঁ। ১৪

৩। (ক) শংকৰদেৱৰ নাটৰ সাধাৰণ লক্ষণসমূহ উল্লেখ কৰি 'ৰামবিজয়' নাটত ইবোৰৰ প্ৰয়োগ দেখুৱাই এটি আলোচনা আগবঢ়োৱাঁ। ১৩

*অথবা*

(খ) 'ৰামবিজয়' নাটত ৰসৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰাঁ। ১৩

৪। (ক) লঘু কমেডি হিচাপে 'গাঁওবুঢ়া' নাটকৰ এটি বিশ্লেষণাত্মক টোকা লিখাঁ। ১২

*অথবা*

(খ) 'গাঁওবুঢ়া' নাটকত সমসাময়িক নাটকৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা কৰাঁ। ১২

৫। (ক) “ ‘ৰূপালীম’ নাটকৰ কাহিনী যিদৰে আটিল, চৰিত্ৰ সেইদৰে বিভিন্ন আৰু বিচিত্ৰ মানৱীয় অনুভূতিৰে বৈচিত্ৰ্যময় আৰু গতিশীল।” কথাষাৰৰ আঁত ধৰি ইতিভেন আৰু মণিমুগ্ধ চৰিত্ৰ দুটাৰ বিশ্লেষণ আগবঢ়োৱা। ১৩

*অথবা*

(খ) ‘ৰূপালীম’ নাটকৰ নাটকীয় সংঘাত সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৩

৬। (ক) ‘এটা চোলাৰ কাহিনী’ নাটকখনৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰাঁ। ১২

*অথবা*

(খ) ‘এটা চোলাৰ কাহিনী’ নাটকৰ চৰিত্ৰসমূহৰ বিষয়ে এটি সমালোচনামূলক প্ৰবন্ধ যুগুত কৰাঁ। ১২

৭। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৪×২=৮

(ক) ঝুমুৰা

(খ) অসমীয়া একাংকিকা নাটক

(গ) ভ্ৰাম্যমান থিয়েটাৰ

★★★